**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-07-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***

১। ৰাজ্য চৰকাৰৰ এক লাখ নিযুক্তি প্ৰতিশ্ৰুতিৰ অংশ হিচাপে দিছপুৰত কাইলৈ শিক্ষা বিভাগৰ নিযুক্তি সমাৰোহৰ আয়োজন।

২। যোৰহাটৰ সাংসদ গৌৰৱ গগৈক কংগ্ৰেছ সংসদীয় দলৰ উপ-দলপতি হিচাপে নিযুক্তি।

৩। ফৰকাল বতৰৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বান পৰিস্থিতিৰ ক্ৰমাৎ উন্নতি। বান ক্ষতিগ্ৰস্ত অঞ্চলত এন ডি আৰ এফ, এছ ডি আৰ এফকে ধৰি উদ্ধাৰ বাহিনীৰ অভিযান অব্যাহত।

৪। ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত আজি বাৰ্লিনত স্পেইন ইংলেণ্ডৰ মুখামুখি। কাইলৈ পুৱা মিয়ামিত ক'পা আমেৰিকা ফাইনেলত আৰ্জেণ্টিনা, কলম্বিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ।

আৰু

৫। হাৰাৰেত অনুষ্ঠিত অন্তিমখন টি-টুৱেণ্টি খেলত আজি জিম্বাব'ৱেক জয়ৰ বাবে ভাৰতৰ ১৬৮ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

০০০০০০০

ৰাজ্য চৰকাৰৰ এক লাখ নিযুক্তিৰ প্ৰতিশ্ৰুতি পূৰণৰ অংশ হিচাপে কাইলৈ দিছপুৰৰ লোকসেৱা ভৱনৰ সন্মিলন কক্ষত শিক্ষা বিভাগৰ অধীনত ৪১ গৰাকী প্ৰাৰ্থীলৈ নিযুক্তি পত্ৰ প্ৰদানৰ উদ্দেশ্যে নিযুক্তি সমাৰোহৰ আয়োজন কৰা হৈছে। এই ৪১ গৰাকী প্ৰাৰ্থীৰ ভিতৰত উচ্চ শিক্ষা সঞ্চালকালয়ত ২২ গৰাকী, কাৰিকৰী শিক্ষা সঞ্চালকালয়ত ১২ গৰাকী আৰু ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদত ৭ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুও উপস্থিত থাকিব। উল্লেখযোগ্য যে, চলিত বৰ্ষৰ ১৪ মাৰ্চ পৰ্যন্ত ৰাজ্য চৰকাৰে ৯৭ হাজাৰ ৪৫৪ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰিছে।

০০০০

কংগ্ৰেছৰ সংসদীয় দলৰ অধ্যক্ষ ছোনীয়া গান্ধীয়ে লোকসভাত দলৰ উপ-নেতা, মুখ্য হুইপ আৰু অন্য দুগৰাকী হুইপ নিযুক্তি সন্দৰ্ভত নিম্ন সদনৰ অধ্যক্ষলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। সেই অনুসৰি যোৰহাটৰ সাংসদ গৌৰৱ গগৈক পুনৰ লোকসভাত কংগ্ৰেছ সংসদীয় দলৰ উপ-দলপতি হিচাপে নিযুক্তি দিয়া হৈছে। আনহাতে, কোদিকুন্নিল সুৰেশক মুখ্য হুইপ হিচাপে নিযুক্তি দিয়া হৈছে।

০০০০০০

বতৰ ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন জিলাত বাঢ়নী পানী ক্ৰমাৎ শুকাবলৈ লৈছে যদিও এতিয়াও ৰাজ্যৰ ২১ খন জিলাৰ প্ৰায় ৮ লাখ ৪০ হাজাৰতকৈ অধিক লোক বানৰ কবলত আছে। ব্ৰহ্মপুত্ৰ, বৰাককে ধৰি প্ৰধান প্ৰধান নদীসমূহৰ জলস্তৰ এতিয়াও বিপদসীমাৰ ওপৰত আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি এতিয়াও ৬১টা ৰাজহ চক্ৰৰ এহেজাৰ ৭০৫ খন গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈ আছে। এই বানত ২৯ হাজাৰ হেক্টৰতকৈ অধিক কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। কালি ধেমাজি জিলাত বানৰ ফলত পুনৰ এজন লোকে প্ৰাণ হেৰুৱাত শেহতীয়া বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৯১ লৈ বৃদ্ধি হৈছে। ৰাজ্য চৰকাৰে স্থাপন কৰা ২২১টা আশ্ৰয় শিবিৰত ৩৬ হাজাৰতকৈ অধিক লোকে আশ্ৰয় লৈ আছে। এন ডি আৰ এফ, এছ ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনী, আৰক্ষী আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ স্বেচ্ছাসেৱকসকলে বান ক্ষতিগ্ৰস্ত অঞ্চলত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। ইয়াৰ লগতে বিভিন্ন স্বেচ্ছাসেৱী সংগঠনসমূহেও বানত ক্ষতিগ্ৰস্তসকললৈ সাহায্য আগবঢ়াইছে। যোৰহাটত

বিভিন্ন আগশাৰীৰ স্বেচ্ছাসেৱী অনুষ্ঠানসমূহে বানৰ শিবিৰসমূহত সাহায্য আগবঢ়াইছে। নিমাতী সমীপৱৰ্তী ব্ৰহ্মপুত্ৰৰ বান আৰু খহনীয়াই ক্ষতিগ্ৰস্ত কৰা পৰিয়ালসমূহৰ মাজত আজি এটা স্বেচ্ছাসেৱী অনুষ্ঠানে খাদ্য সামগ্ৰী বিতৰণ কৰে।

ইফালে, ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ গুৱাহাটী কাৰ্যালয়ে সদৰি কৰা তথ্য অনুযায়ী পৰৱৰ্তী কেইঘণ্টামানত ৰাজ্যখনৰ চৰাইদেউ, ধেমাজি, ডিব্ৰুগড়, গোলাঘাট, যোৰহাট, লখিমপুৰ, মাজুলী, শিৱসাগৰ, তিনিচুকীয়া, চিৰাং, বৰপেটা, বঙাইগাঁও, বিশ্বনাথ, দৰং, ধুবুৰী, ডিমাহাচাও, গোৱালপাৰা, কোকৰাঝাৰ, কামৰূপ আৰু কামৰূপ মহানগৰকে ধৰি ভালেকেইখন জিলাত মজলীয়া বৰষুণৰ লগতে ধুমুহা অহাৰ সম্ভাৱনা আছে। ইয়াৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বান ক্ষতিগ্ৰস্ত লোকসকলক সাৱধান হৈ থাকিবলৈ সতৰ্কতা জাৰি কৰা হৈছে।

ইফালে, বানত হোৱা ক্ষয়-ক্ষতিৰ সঠিক মূল্যায়ন হোৱাৰ লগে লগে কেন্দ্ৰীয় চৰকাৰে অসমলৈ আৰ্থিক অনুদান প্ৰেৰণ কৰিব বুলি ইতিমধ্যে প্ৰকাশ কৰিছে।

0000000

সদৌ টাই-আহোম ছাত্ৰ সন্থাৰ ৩৬ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে শিৱসাগৰত অনুষ্ঠিত হৈছে। নগৰখনৰ বৰ্ডিং খেল পথাৰত গছপুলি ৰোপণেৰে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী আৰম্ভ কৰা হয়। ইয়াৰ পাছত পতাকা উত্তোলন, মৈদাম তৰ্পণ, শ্বহীদ শ্ৰদ্ধাঞ্জলি আদি অনুষ্ঠানৰ আয়োজন কৰা হয়। ইয়াৰ লগতে ডিম্বেশ্বৰ গগৈ সোঁৱৰণী সদৌ অসম ভিত্তিত তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষই উদ্বোধন কৰা তৰ্ক প্ৰতিযোগিতাখনৰ বিষয় আছিল - 'বৰ্তমান অসমৰ ৰাজনৈতিক প্ৰেক্ষাপটত আহোম স্বৰ্গদেউসকলৰ কূটনৈতিক পাৰদৰ্শিকতাৰ প্ৰাসংগিকতা আছে'। আজিৰ কাৰ্যসূচীত সন্ধিয়া বিভিন্ন দল-সংগঠনৰ নেতৃত্বৰ সৈতে মত বিনিময় অনুষ্ঠান অনুষ্ঠিত হ'ব।

0000000

কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰাম ৩ দিনীয়া চৰকাৰী কাৰ্যসূচীৰে অসমত উপস্থিত হৈছে। শিৱসাগৰ জিলাত কেইবাটাও কাৰ্যসূচীত অংশ গ্ৰহণ কৰিবলগীয়া কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক আজি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু শ্ৰমিক কল্যাণ মন্ত্ৰী সঞ্জয় কিষাণে ডিব্ৰুগড় বিমানবন্দৰত আদৰণি জনায়। বিধায়ক শ্ৰীপ্ৰশান্ত ফুকন আৰু বিজেপিৰ কিছুসংখ্যক কাৰ্যকৰ্তাই মন্ত্ৰী দুগৰাকীক সংগ দিয়ে।

0000000

গুৱাহাটী প্ৰেছ ক্লাবত এটা স্বেচ্ছাসেৱী সংগঠনৰ উদ্যোগত আজি আয়োজিত মিৰাকল মিলেট অভিযানৰ বৰপেটা জিলাৰ অতিৰিক্ত জিলা আয়ুক্তই শুভাৰম্ভ কৰে। মিলেটৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰি মিৰাকল মিলেট ষ্টাৰ্টআপৰ কৰ্মকৰ্তাসকলে এই অভিযানৰ বিষয়ে অনুষ্ঠানত বিতংকৈ ব্যাখ্যা কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি তামুলপুৰৰ অতিৰিক্ত জিলা আয়ুক্তই পুষ্টিমান নামেৰে নামকৰণ কৰা অভিযানৰ শুভংকৰটো মুকলি কৰে।

0000000

গৌৰৱোজ্জ্বল মহাৰজত জয়ন্তী বৰ্ষত ভৰি দিয়া প্ৰাথমিক বিদ্যালয় শিক্ষকৰ সংগঠন অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৪৪ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনখন অহা ২৩ জুলাইৰ পৰা চাৰিদিনীয়াকৈ হাইলাকান্দিত অনুষ্ঠিত হ'ব। হাইলাকান্দি জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ ব্যৱস্থাপনাত চহৰখনৰ ৰবীন্দ্ৰ ভৱনত অনুষ্ঠিত হ'বলগীয়া অধিৱেশনখনৰ শ্ল'গান হৈছে – 'শিক্ষাই জলবায়ু পৰিৱৰ্তনৰ সমস্যা সমাধানৰ পথ' আৰু 'শিশু শ্ৰমিক বন্ধ কৰক, শিশুক বিদ্যালয়লৈ পঠিয়াওক'। উল্লেখযোগ্য যে ১৯৪৯ চনৰ ২৩ নৱেম্বৰত অবিভক্ত কাছাৰ জিলাৰ শিলচৰ চহৰত ককা নীলমণি ফুকনৰ সভাপতিত্বত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনী গঠন হৈছিল।

0000000

নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া বিশ্ব ঐতিহ্য সমিতিৰ বৈঠকৰ পৰিপ্ৰেক্ষিতত আজি অসম চৰকাৰৰ কাৰ্যবাহীসকলে বিশ্ব ঐতিহ্য সমিতিৰ অধ্যক্ষক অসমীয়া পৰম্পৰাৰে আদৰণি জনায়। উল্লেখযোগ্য যে ইউনেস্ক'ৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ভাৰতত এই বৈঠক অনুষ্ঠিত হ'ব। অহা ২১ জুলাইৰ পৰা অনুষ্ঠিত হ'বলগীয়া এই

বৈঠকৰ কাৰণে ভাৰতৰ হৈ ৰাষ্ট্ৰদূত বিশাল শৰ্মাক অধ্যক্ষ  হিচাপে নিৰ্বাচন কৰা হৈছে। এই বৈঠকত অসমৰ বাবে তাৎপৰ্যপূৰ্ণভাৱে চৰাইদেউৰ মৈদাম ক্ষেত্ৰসমূহ বিশ্ব ঐতিহ্যৰ তালিকাত স্থান লাভৰ বাবে ভাৰতৰ পৰা মনোনয়ন কৰা হৈছে।

০০০০০০০

বাক্সা জিলাৰ বাৰাপেটা উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগণত আজি দিনজোৰা কাৰ্যসূচীৰে অসম সাহিত্য সভাৰ খাৰিজা বিজনী শতদল শাখা সাহিত্য সভাৰ বাৰ্ষিক অধিৱেশন আৰু সভ্য সমাৰোহ অনুষ্ঠিত হয়। অনুষ্ঠানত সাহিত্য সভাৰ পতাকা উত্তোলনৰ পাছতে ৩ লাখ ৫০ হাজাৰ টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা সাহিত্য সভাৰ স্থায়ী কাৰ্যালয়টো বিটিআৰৰ কাৰ্যবাহী সদস্য গৌতম দাসে উদ্বোধন কৰে। সভাত অংশগ্ৰহণ কৰি ভৱানীপুৰ বিধানসভা সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰে নৱনিৰ্মিত কাৰ্যালয়টোৰ উন্নীতকৰণৰ বাবে অতিৰিক্ত ২ লাখ টকাৰ অনুদানৰ ঘোষণা কৰে।

০০০০০০০

অসম আৰক্ষীৰ এজন অৱসৰপ্ৰাপ্ত মহাপৰিদৰ্শকৰ বেংক একাউণ্টৰ ধন জালিয়াতিৰে আত্মসাৎ কৰাৰ গোচৰত আজি দিছপুৰ আৰক্ষীয়ে ষ্টেট বেংক অৱ্ ইণ্ডিয়াৰ বৰবাৰী শাখাৰ প্ৰাক্তন শাখা প্ৰৱন্ধক গুলেনুৰ হুছেইনক আটক কৰিছে। একেটা গোচৰতে আৰক্ষীয়ে ত্ৰিদীপ কলিতা নামৰ আন এজন লোককো আটক কৰে। উল্লেখযোগ্য যে অৱসৰপ্ৰাপ্ত উপ-মহাপৰিদৰ্শক ভৱধৰ দত্তৰ বৰবাৰী শাখাত থকা বেংক একাউণ্টৰ পৰা ২৬ লাখ টকা গোপনে বিভিন্ন তাৰিখত অন্যান্য বেংক একাউণ্টলৈ হস্তান্তৰ কৰা হৈছে। এই সম্পৰ্কে অৱগত হৈ শ্ৰী দত্তই দিয়া এজাহাৰৰ ভিত্তিত দিছপুৰ থানাত এটা গোচৰ পঞ্জীয়ন কৰা হয়। এই গোচৰৰ তদন্তত বৰবাৰী শাখাৰ প্ৰাক্তন শাখা প্ৰৱন্ধক গুলেনুৰ হুছেইনে ইণ্টাৰনেট বেংকিঙৰ সহায়ত ধন জালিয়াতি কৰাৰ তথ্য পোহৰলৈ আহে। অৱসৰপ্ৰাপ্ত মহা-পৰিদৰ্শকজনৰ বেংক একাউণ্টৰ সৈতে ফোন নাম্বাৰ সংযোগ কৰি আৰু ইউজাৰ আইডিৰ লগতে পাছৱৰ্ড সৃষ্টি কৰি বৰবাৰী শাখাৰ প্ৰাক্তন শাখা-প্ৰৱন্ধকগৰাকীয়ে জালিয়াতি কৰিছিল। অভিযুক্ত হুছেইনে একেদৰে আন বহু লোকৰ ধন আত্মসাৎ কৰাৰ ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

০০০০০০০

স্পেইন আৰু আৰু ইংলেণ্ডৰ মাজত বাৰ্লিনত আজি নিশা চাৰে ১২ বজাত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেলখন অনুষ্ঠিত হ'ব। খেলখনত স্পেইনে অভিলেখ সংখ্যক চতুৰ্থবাৰৰ বাবে খিতাপ লাভৰ লক্ষ্যৰে অৱতীৰ্ণ হোৱাৰ বিপৰীতে ইংলেণ্ডে একেৰাহে দ্বিতীয়বাৰৰ বাবে ইউৰো কাপৰ ফাইনেল খেলিব। ছেমি ফাইনেলত স্পেইনে ফ্ৰান্সক আৰু ইংলেণ্ডে নেডাৰলেণ্ডছক ২-১ গ'লত পৰাজিত কৰিছিল।

আন এখন মহাদেশীয় ফুটবল প্ৰতিযোগিতা ক'পা আমেৰিকাৰ ফাইনেল কাইলৈ ভাৰতীয় সময় অনুসৰি পুৱা চাৰে পাঁচ বজাত অনুষ্ঠিত হ'ব। মিয়ামিত হ'বলগীয়া খেলখনত আৰ্জেণ্টিনা, কলম্বিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ছেমিফাইনেলত কলম্বিয়াই উৰুগুৱেক আৰু আৰ্জেণ্টিনাই কানাডাক পৰাজিত কৰিছিল। উল্লেখযোগ্য যে আৰ্জেণ্টিনাই তৃতীয়বাৰৰ বাবে খিতাপ জয়ৰ চেষ্টা চলাব। আনহাতে, কলম্বিয়া দ্বিতীয়বাৰৰ বাবে ক'পা আমেৰিকা ফুটবল প্ৰতিযোগিতাত চূড়ান্ত বিজয়ী হোৱাৰ লক্ষ্যৰে খেলত অৱতীৰ্ণ হ'ব। ক'পা আমেৰিকা ফুটলৰ প্ৰতিযোগিতাৰ ইতিহাসত আৰ্জেণ্টিনা আৰু উৰুগুৱে হৈছে আটাইতকৈ সফল দল। দুয়োটা দলে ১৫ বাৰকৈ এই প্ৰতিযোগিতাত বিজয়ী হৈছে।

০০০০০০০

ৰাজ্যৰ বান পৰিস্থিতি উন্নত হোৱা, বানৰ আশ্ৰয় শিবিৰসমূহত চৰকাৰৰ তৰফৰ পৰা প্ৰয়োজনীয় সাহায্য সামগ্ৰী বিতৰণ, ৰাজ্য চৰকাৰৰ ৩৫ হাজাৰ নতুন চাকৰি নিযুক্তি প্ৰক্ৰিয়া শীঘ্ৰে আৰম্ভ কৰাৰ মুখ্যমন্ত্ৰীৰ ঘোষণা, আপোন ঘৰ আঁচনিৰ ঋণৰ পৰিমাণ ৩০ লাখলৈ বৃদ্ধিত অসম মন্ত্ৰীসভাৰ অনুমোদনকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰিয়ে বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

বতৰ ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত যোৱাটো সপ্তাহত ৰাজ্যৰ বান পৰিস্থিতি সামান্য উন্নত হয়। বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহত এন ডি আৰ এফ, এছ ডি আৰ এফ আৰু অন্যান্য উদ্ধাৰকাৰী বাহিনীৰ অভিযান অব্যাহত থকাৰ সমান্তৰালকৈ বান শিবিৰসমূহত পৰ্যাপ্ত পৰিমাণৰ ঔষধ তথা অন্যান্য সামগ্ৰী নিয়মীয়াকৈ যোগান ধৰি থকা বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সদৰি কৰে। ইয়াৰ উপৰি কেইবাগৰাকীও মন্ত্ৰীয়ে বান ক্ষতিগ্ৰস্ত কেইবাখনো জিলা ভ্ৰমণ কৰি পৰিস্থিতিৰ বুজ লয়। ০০০০

অহা বছৰৰ আৰম্ভণিতে স্বচ্ছতা বজাই ৰাখি চৰকাৰী চাকৰিত ৰাজ্যৰ দক্ষ যুৱক-যুৱতীসকলক নিযুক্তি দিয়াৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই যোৱা সপ্তাহত প্ৰকাশ কৰে। ইয়াৰ বাবে মুখ্যমন্ত্ৰীগৰাকীয়ে তৃতীয়-চতুৰ্থ বৰ্গৰ কৰ্মচাৰী নিযুক্তি, ৰাজ্যিক আৰক্ষীৰ উপ-পৰিদৰ্শক, কনিষ্টবল নিযুক্তিৰ বাবে প্ৰয়োজনীয় আনুষ্ঠানিকতা আলোচনা চূড়ান্ত কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলৰ সৈতে এখন বৈঠকতো মিলিত হয়। ০০০০

ৰাজ্যৰ মহাবিদ্যালয়সমূহৰ সহকাৰী অধ্যাপক, গ্ৰন্থাগাৰিক আৰু তৃতীয় তথা চতুৰ্থ শ্ৰেণীৰ পদৰ বাবে স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ বাধ্যতামূলক নহয় বুলি চৰকাৰে পূৰ্বতে জাৰি কৰা নিৰ্দেশনা যোৱাটো সপ্তাহত প্ৰত্যাহাৰ কৰা হয়। বিষয়টোৰ তদন্ত ঘোষণা কৰাৰ লগতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে স্থানীয় ভাষাত বুৎপত্তি থকা ব্যক্তিয়েহে মহাবিদ্যালয়ত শিক্ষক হিচাপে নিযুক্তি লাভ কৰিব পাৰে বুলি স্পষ্ট কৰে। ০০০০

২০১৬-১৭ চনত ৰাজ্য চৰকাৰে আৰম্ভ কৰা **আপোন ঘৰ** আঁচনিৰ অধীনত প্ৰদান কৰা ঋণৰ পৰিমাণৰ ৩০ লাখ টকালৈ বৃদ্ধি কৰাত অসম মন্ত্ৰীসভাই যোৱাটো সপ্তাহত অনুমোদন জনায়। দিছপুৰত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে এই বিষয়ে প্ৰকাশ কৰে। লগতে বৈঠকৰ সিদ্ধান্ত অনুসৰি মহিলা কৰ্মচাৰীয়ে এবছৰতকৈ কম বয়সৰ সন্তান তুলি ল'লে ১৮০ দিনৰ প্ৰতিপালনৰ ছুটি লাভ কৰিব বুলিও মন্ত্ৰীগৰাকীয়ে সদৰি কৰে। ০০০০

যোৱাটো সপ্তাহত ৰাজ্যৰ যোগাযোগ আন্তঃগাথনি উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত ৩৭৮ কোটি ৬৮ লাখ টকা আৱণ্টন দিয়ে। এই ধনৰাশিৰে ৰাজ্যৰ ৫৬৩ দশমিক ৬-৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৭৮ টা পথ আৰু ১৪ খন পকী দলং নিৰ্মাণ কৰা হ'ব। ০০০

দেশৰ ৭ খন ৰাজ্যৰ ১৩ টা বিধানসভা সমষ্টিৰ বাবে অলপতে অনুষ্ঠিত উপ নিৰ্বাচনৰ ফলাফল যোৱাটো সপ্তাহত ঘোষণা কৰা হয়। ইয়াৰে ৪ খনকৈ আসনত কংগ্ৰেছ আৰু তৃণমূল কংগ্ৰেছে জয়লাভ কৰাৰ বিপৰীতে বিজেপিয়ে ২খন আৰু আম আদমী পাৰ্টীয়ে এখনকৈ আসন লাভ কৰিবলৈ সমৰ্থ হয়। ০০০০

এয়াই আছিল বিগত সপ্তাহত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা বাতৰিসমূহত চমু অৱলোকন।

০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** অসমতো অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে জিলাই জিলাই বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মূলতঃ প্ৰথম ৩ মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুৎ যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৱা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০০০

ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ হাৰাৰে স্পৰ্টছ ক্লাবত অনুষ্ঠিত পঞ্চম তথা অন্তিমখন খেলত আজি  ভাৰতে জিম্বাব'ৱেক জয়ৰ বাবে ১৬৮ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। টছত জিকি জিম্বাব'ৱেই ভাৰতক প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ জনায়। এই অনুযায়ী ভাৰতে নিৰ্ধাৰিত ২০ অ'ভাৰত ছটা উইকেটৰ বিনিময়ত ১৬৭ ৰান কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ সঞ্জু চেমচনে সৰ্বাধিক ৫৮ ৰান কৰে। প্ৰত্যুত্তৰত বাতৰি লিখাৰ পৰলৈকে জিম্বাব'ৱেই ৬ অ'ভাৰত দুটা উইকেটৰ বিনিময়ত ৪৮ ৰান সংগ্ৰহ কৰিবলৈ সমৰ্থ হৈছে। উল্লেখযোগ্য যে ভাৰতে ইতিমধ্যে শৃংখলাত ৩-১ ফলাফলেৰে অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে।

০০০০

**সমাপ্ত**